**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 18-03-2026
**Time :** 1910 HRS.

ASSAMESE EVENING BULLETIN

## HEADLINES

**::::::::::::::::::::**

১। কেন্দ্ৰীয় মন্ত্ৰীসভাই ১০০টা উন্নত মানৰ ঔদ্যোগিক অঞ্চল বিকশাই তোলাৰ উদ্দেশ্যে ভাৰত ঔদ্যোগিক বিকাশ আঁচনিত অনুমোদন জনাইছে।

২। কেন্দ্ৰীয় চৰকাৰে খাৰুৱা তেলৰ উপলভ্যতা স্বাভাৱিক বুলি আশ্বাস দিছে আৰু তেল শোধনাগাৰসমূহে পূৰ্ণ সামৰ্থ্যৰে কাম কৰি আছে বুলি ব্যক্ত কৰিছে।

৩। নিৰ্বাচন আয়োগে পাঁচখন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলত সমাগত বিধানসভা নিৰ্বাচনৰ বাবে ২৫ লাখতকৈও অধিক বিষয়াক নিয়োগ কৰিছে।

*আৰু*

৪। অৰলেন্স মাষ্টাৰ্ছ বেডমিণ্টন প্ৰতিযোগিতাৰ পুৰুষৰ একক শাখাৰ এখন খেলত ভাৰতৰ আয়ুষ চেট্টীয়ে কিৰণ জৰ্জক পৰাস্ত কৰি প্ৰি-কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে।

০০০০০

কেন্দ্ৰীয় মন্ত্ৰীসভাই ১০০টা উন্নত মানৰ ঔদ্যোগিক অঞ্চল বিকশাই তোলাৰ উদ্দেশ্যে ৩৩ হাজাৰ ৬৬০ কোটি টকা আবণ্টনেৰে ভাৰত ঔদ্যোগিক বিকাশ আঁচনিত অনুমোদন জনাইছে। মন্ত্ৰীসভাৰ বৈঠকৰ পাছত নতুন দিল্লী সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কয় যে বিশ্বমানৰ ঔদ্যোগিক আন্তঃগাঁথনি বিকশাই তোলাৰ লগতে নিৰ্মাণ খণ্ডৰ সম্ভাৱনাক উন্মোচন কৰি দেশৰ বিকাশৰ গতি ত্বৰান্বিত কৰাই এই আঁচনিৰ উদ্দেশ্যে। আত্মনিৰ্ভৰ ভাৰতৰ লক্ষ্যৰে দেশৰ কৃষকসকলৰ কল্যাণৰ দিশটো শক্তিশালী কৰাৰ উদ্দেশ্যে কেন্দ্ৰীয় মন্ত্ৰীসভাই ভাৰতৰ কপাহ নিগমলৈ ২০২৩-২৪ বৰ্ষৰ বাবে এহেজাৰ ৭১৮ কোটি টকাৰো অধিক ন্যূনতম সমৰ্থন মূল্যৰ পুঁজিত অনুমোদন জনাইছে। মন্ত্ৰীগৰাকীয়ে কয় যে এই পুঁজিয়ে দেশৰ কপাহ উৎপাদনকাৰী কৃষকসকলক পোনপটীয়াকৈ উপকৃত কৰিব। মন্ত্ৰীগৰাকীয়ে কয় যে কপাহ কৃষকসকলৰ স্বাৰ্থ সুৰক্ষিত কৰাৰ উদ্দেশ্যে এই ব্যৱস্থা গ্ৰহণ কৰা হৈছে, বিশেষকৈ ন্যূনতম সমৰ্থন মূল্যতকৈ বজাৰৰ মূল্য নিম্ন হোৱাৰ সময়খিনিত তেওঁলোকক সকাহ দিয়াৰ উদ্দেশ্যে ন্যূনতম সমৰ্থন মূল্যৰ ব্যৱস্থা কৰা হৈছে।

কেন্দ্ৰীয় মন্ত্ৰীসভাই প্ৰায় এহেজাৰ ৫০০ মেগাৱাট ক্ষমতাসম্পন্ন ক্ষুদ্ৰ জলবিদ্যুৎ প্ৰকল্প স্থাপনৰ উদ্দেশ্যে দুহেজাৰ ৫৮৪ কোটি টকাতকৈও অধিক ব্যয়ৰে ২০২৬-২৭ বৰ্ষৰ পৰা ২০৩০-৩১ বৰ্ষলৈ ক্ষুদ্ৰ জলবিদ্যুৎ বিকাশ আঁচনিত অনুমোদন জনাইছে।

০০০০০

কেন্দ্ৰীয় চৰকাৰে খাৰুৱা তেলৰ উপলভ্যতা স্বাভাৱিক বুলি আশ্বাস দিছে আৰু তেল শোধনাগাৰসমূহে পূৰ্ণ সামৰ্থ্যৰে কাম কৰি আছে। নতুন দিল্লীত আজি পশ্চিম এছিয়াৰ শেহতীয়া পৰিস্থিতি সন্দৰ্ভত আয়োজিত এখন আন্তঃমন্ত্ৰালয়ৰ বৈঠকত পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰালয়ৰ যুটীয়া সচিব  সুজাতা শৰ্মাই এই তথ্য প্ৰকাশ কৰে। তেওঁ কয় যে ঘৰুৱা ৰন্ধন গেছৰ উৎপাদন ৪০ শতাংশ বৃদ্ধি পাইছে আৰু দেশৰ কোনো অংশত খুচুৰা বিক্ৰী কেন্দ্ৰতে ৰন্ধন গেছৰ নাটনি হোৱা নাই। শ্ৰীমতী শৰ্মাই লগতে কয় যে চৰকাৰে সকলো

ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলক বাণিজ্যিক ৰন্ধন গেছৰ ক্ষেত্ৰত অতিৰিক্ত ১০ শতাংশ আবণ্টন আগবঢ়াইছে। চৰকাৰে তেওঁ লগতে কয় যে চৰকাৰে মহানগৰ আৰু নগৰ অঞ্চলৰ বাণিজ্যিক ৰন্ধন গেছৰ গ্ৰাহকসকলক পি এন জি ব্যৱহাৰ কৰিবলৈ আহ্বান জনাইছে। তেওঁ লগতে কয় যে বিগত কেইদিনমানত প্ৰায় ১২ হাজাৰ অভিযান চলোৱা হৈছে আৰু এই সময়ছোৱাত ১৫ হাজাৰটা চিলিণ্ডাৰ জব্দ কৰা হৈছে। তেওঁ কয় যে তৈল বিপণন কোম্পানীসমূহৰ পৰিদৰ্শনকাৰী গোটসমূহক অধিক সক্ৰিয় কৰি তোলা হৈছে আৰু প্ৰায় আঢ়ৈ হাজাৰ খুচুৰা বিক্ৰী কেন্দ্ৰ আৰু ৰন্ধন গেছৰ বিতৰণস্থলীত আকস্মিক পৰিদৰ্শনৰ ব্যৱস্থা কৰা হৈছে।

বন্দৰ, জাহাজ আৰু জলপথ মন্ত্ৰালয়ৰ বিশেষ সচিব ৰাজেশ কুমাৰ সিনহাই কয় যে সকলো ভাৰতীয় জাহাজ সুৰক্ষিত হৈ আছে। যোৱা ২৪ ঘণ্টাত বিভিন্ন বন্দৰৰ পৰা ২৫জন ভাৰতীয় নাগৰিকক দেশলৈ ঘূৰাই অনা হৈছে। তেওঁ কয় যে সপ্তাহৰ সাতোটা দিনেই ২৪ ঘণ্টাই সক্ৰিয় হৈ থকা নিয়ন্ত্ৰণ কক্ষই ১২৫টা ফোন কল গ্ৰহণ কৰাৰ লগতে ৪৫০টা ইমেইল পৰীক্ষা কৰি প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিছে।

বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ মুখপাত্ৰ ৰণধীৰ জয়ছোৱালে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি সংযুক্ত আৰব আমিৰি ৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি শ্বেইখ মহম্মদ বিন জায়েদ আল নাহিয়ানৰ সৈতে পশ্চিম এছিয়াৰ পৰিস্থিতি সন্দৰ্ভত আলোচনা কৰে। প্ৰধানমন্ত্ৰী মোদীয়ে সংযুক্ত আৰব আমিৰি ৰাষ্ট্ৰৰ ওপৰত হোৱা আক্ৰমণত নিৰীহ লোকৰ প্ৰাণহানি হোৱাৰ লগতে অসামৰিক আন্তঃগাঁথনি ক্ষতিগ্ৰস্ত হোৱাৰ বিষয়টোত গৰিহণা দিয়ে। তেওঁ কয় যে দুয়োগৰাকী নেতাই হৰমুজ প্ৰণালীৰে নিৰাপদ আৰু মুক্ত পৰিবহন নিশ্চিত কৰাত গুৰুত্ব আৰোপ কৰাৰ লগতে শান্তি, নিৰাপত্তা আৰু স্থিৰতা বৰ্তাই ৰখাৰ বাবে একেলগে কাম কৰাৰ সহমত প্ৰকাশ কৰে। মুখপাত্ৰগৰাকীয়ে আৰু কয় যে তেহৰাণত থকা ভাৰতৰ দূতাবাসে ভাৰতীয় নাগৰিক বিশেষকৈ শিক্ষাৰ্থীসকলৰ বাবে আৰ্মেনিয়া আৰু আজাৰবাইজানলৈ স্থলসীমাৰে যাত্ৰা কৰা সন্দৰ্ভত নিৰ্দেশনা জাৰি কৰিছে। নাগৰিকসকলক তেওঁলোকৰ সুবিধা অনুসৰি সঠিকভাৱে সীমান্ত অতিক্ৰম কৰাৰ ক্ষেত্ৰত এই নিৰ্দেশনাৱলী মানি চলিবলৈ আহ্বান জনোৱা হৈছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি কুৱেইটৰ ৰাজকুমাৰ শ্বেইখ চাবাহ আল খালেদ আল হামাদ আল মোবাৰক আল চাবাহৰ সৈতে টেলিফোনযোগে বাৰ্তালাপ কৰে আৰু সমাগত ঈদৰ শুভেচ্ছা জ্ঞাপন কৰে। সামাজিক মাধ্যমৰ এটা পোষ্টত শ্ৰীমোদীয়ে এই বাৰ্তালাপত দুয়োগৰাকী নেতাই পশ্চিম এছিয়াৰ বিষয়ে মত-বিনিময় কৰাৰ লগতে শেহতীয়া পৰিস্থিতি সন্দৰ্ভত উদ্বেগ প্ৰকাশ কৰা বুলি উল্লেখ কৰে। প্ৰধানমন্ত্ৰীয়ে কুৱেইটৰ সাৰ্বভৌমত্ব আৰু ভৌগলিক অখণ্ডতাৰ ওপৰত হোৱা আক্ৰমণক ভাৰতে গৰিহণা দিয়া বুলিও তেওঁ দোহাৰে। হৰ্মুজ প্ৰণালীৰ জৰিয়তে মুক্ত আৰু সুৰক্ষিত চলাচলৰ বিষয়টোত দুয়োগৰাকী নেতাই গুৰুত্ব আৰোপ কৰে। কুৱেইটত থকা ভাৰতীয় লোকসকলৰ সুৰক্ষা আৰু কল্যাণৰ বাবে আগবঢ়োৱা সহায়ৰ বাবে প্ৰধানমন্ত্ৰীয়ে দেশখনৰ ৰাজকুমাৰগৰাকীক কৃতজ্ঞতা জনায়।

ooooo

নিৰ্বাচন আয়োগে পাঁচখন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলত সমাগত বিধানসভা নিৰ্বাচন শান্তিপূৰ্ণ আৰু নিৰপেক্ষভাৱে অনুষ্ঠিত কৰাটো সুনিশ্চিত কৰাৰ বাবে ২৫ লাখতকৈও অধিক বিষয়াক নিয়োগ কৰিছে। আজি নিয়োগ কৰা লোকসকলৰ ভিতৰত ১৫ লাখ নিৰ্বাচনী জোৱান, চাৰে ৮ লাখ নিৰাপত্তাৰক্ষী, ৪০ হাজাৰ গণনাকাৰী বিষয়া, ৪৯ হাজাৰ মাইক্ৰ' অবজাৰভাৰ, ২১ হাজাৰগৰাকী খণ্ড বিষয়াৰ লগতে আন ভালেমান বিষয়া আছে। আয়োগে জনোৱা অনুসৰি সাধাৰণ নিৰ্বাচন আৰু উপ-নিৰ্বাচনৰ সময়ত নিৰীক্ষণৰ বাবে ৮৩২টা বিধানসভা সমষ্টিত এহেজাৰতকৈও অধিক কেন্দ্ৰীয় পৰ্যবেক্ষক নিয়োগ কৰা হৈছে। ইয়াৰ

ভিতৰত ৫৫৭গৰাকী সাধাৰণ পৰ্যবেক্ষক, ১৮৮গৰাকী আৰক্ষী পৰ্যবেক্ষক আৰু ৩৬৬গৰাকী ব্যয় নিৰীক্ষক আছে।

ooooo

ৰাজ্যসভাত আজি দেশৰ ২০ খন ৰাজ্যৰ ৫৯ গৰাকী সদস্যক বিদায় সম্ভাষণ জনোৱা হয়। ইয়াৰে ৯ গৰাকী মহিলা সদস্য আছে। এই বিদায় অনুষ্ঠানত অংশগ্ৰহণ কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয়, যে সংসদীয় গণতন্ত্ৰৰ প্ৰতি এই সদস্যসকলৰ অৱদান সদায় স্মৰণীয় হৈ ৰ'ব। তেওঁ কয়, যে ৰাজনীতিত কেতিয়াও যৱনিকা নপৰে, কিয়নো এই সদস্যসকলৰ অভিজ্ঞতা আৰু অৱদান জাতিৰ বাবে সদায় প্ৰাসংগিক আৰু মূল্যবানৰূপে পৰিগণিত হৈ আহিছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয়, যে প্ৰতিগৰাকী সদস্যই সদনত উত্থাপিত বিষয়সমূহৰ আলোচনাৰ ক্ষেত্ৰত উল্লেখযোগ্য অৱদান আগবঢ়াইছে। ইয়াৰে কিছুমান তিতা আৰু আন কিছুমান মিঠা অভিজ্ঞতা বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীগৰাকীয়ে কয়, যে যেতিয়াই এনে পৰিস্থিতিৰ উদ্ভৱ হয়, তেতিয়াই সদস্যসকলে নিজৰ দলৰ ঊৰ্ধলৈ গৈ এটা সামূহিক আৱেগ প্ৰকাশ কৰে। শ্ৰী মোদীয়ে কয়, যে সদন নিজেই এখন মুক্ত বিশ্ববিদ্যালয় আৰু ই জাতীয় জীৱনক সমৃদ্ধ কৰাৰ বহু সুবিধা প্ৰদান কৰিছে।

ইয়াৰ পূৰ্বে সদনৰ সভাপতি চি পি ৰাধাকৃষ্ণণে কয়, যে প্ৰতি দুবছৰৰ মূৰে মূৰে ৰাজ্যসভাৰ এক তৃতীয়াংশ সদস্যই বিদায় লোৱাটো আমাৰ সাংবিধানিক ব্যৱস্থাক প্ৰতিফলিত কৰে।

উপ-সভাপতি হৰিবংশে ৰাষ্ট্ৰীয় স্বাৰ্থজড়িত বিষয়ত সকলো সদস্যই সহমত পোষণ কৰাৰ লগতে ৰাজনৈতিক দলতকৈও উৰ্ধত ৰাষ্ট্ৰক স্থান দিয়াৰ কথা উল্লেখ কৰে। তেওঁ সংসদৰ কাম-কাজ চলাই নিয়াত সদস্যসকলৰ সামূহিক প্ৰচেষ্টাক শলাগ লোৱাৰ লগতে বিভিন্ন দলৰ পৰা পোৱা সহযোগিতাক প্ৰশংসা কৰে। এই বিদায় সভাৰ পাছত সদনৰ কাম-কাজ অহা সোমবাৰে দিনৰ ১১ বজা পৰ্যন্ত স্থগিত ৰখা হয়।

ooooo

ইৰাণৰ চোৰাংচোৱা বিভাগৰ মন্ত্ৰী ইছমাইল খাটিবক ইজৰাইলী সেনাই হত্যা কৰা বুলি ইজৰাইলৰ প্ৰতিৰক্ষা মন্ত্ৰীয়ে দাবী কৰিছে। তেওঁ আজিৰ দিনটোত ভিন ভিন দিশত বৃহৎ আক্ৰমণ হোৱা বুলি প্ৰকাশ কৰে যদিও সবিশেষ তথ্য আগবঢ়োৰ পৰা আঁতৰত থাকে। ইৰাণৰ শীৰ্ষ নিৰাপত্তা বিষয়া আলী লাৰিজানি আৰু বচিজ অৰ্ধসামৰিক বাহিনীৰ কামাণ্ডাৰ ঘ'লামাৰেজা চলেইমানীৰ পাছত খাটিবক হত্যা কৰাৰ লক্ষ্য লোৱা হৈছিল।

ooooo

অৰলেন্স মাষ্টাৰ্ছ বেডমিণ্টন প্ৰতিযোগিতাৰ পুৰুষৰ একক শাখাৰ এখন খেলত ভাৰতৰ আয়ুষ চেট্টীয়ে কিৰণ জৰ্জক ১৭-২১, ২১-১০, ২১-১৭ গেমত পৰাস্ত কৰি প্ৰি-কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। ফ্ৰান্সৰ পা লেহ ডে স্পোৰত অনুষ্ঠিত আন এখন খেলত কিদাম্বি শ্ৰীকান্ত ডেনমাৰ্কৰ মেগনাছ জনাহেছেনৰ হাতত ১২-২১, ১০-২১ গেমত পৰাস্ত হয়। ইপিনে, মহিলাৰ একক শাখাৰ এখন খেলত আজি আকৰ্ষী কাশ্যপ ছিংগাপুৰৰ ইও জিয়া মিনৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে। ভাৰতৰ মালবিকা বান্সোৰ, আনমোল খাৰ্ব আৰু তন্বী শৰ্মাইও আজি প্ৰতিযোগিতাত নিজৰ অভিযান আৰম্ভ কৰিছে। আনহাতে, পুৰুষৰ ডাবলছত ভাৰতৰ অৰ্জুন এম ৰামচন্দ্ৰন আৰু হৰিহৰণ আম্ছাকৰুণনেও প্ৰি-কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে।

ooooo

সমাপ্ত